# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2026 **Time :** 1910 Hrs

***Assamese Evening Bulletin***

## HEADLINES

১। নতুন দিল্লীত অনুষ্ঠিত দ্বাদশ হস্ততাঁত দিৱসত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী কয়, যে হস্ততাঁত খণ্ড কেৱল জীৱিকাৰ উৎস নহয়, বৰঞ্চ ই সৰ্বাংগীন উন্নয়নৰ আহিলা।

২। হিংসা, শত্ৰুতা আৰু সন্ত্ৰাসবাদ মুক্ত পৰিৱেশ গঢ়ি উঠাৰ পাছতহে ভাৰতে পাকিস্তানৰ সৈতে সম্পৰ্ক আগবঢ়াব বুলি মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৩। চুবুৰীয়া ৰাজ্যসমূহকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত নদ-নদীৰ জলস্তৰ বৃদ্ধি পোৱাত অসমৰ বান পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈ আছে।

৪। ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজহুৱা ক্ৰয় মঞ্চ চৰকাৰী ই-বজাৰ ব্যৱস্থা যোৱা ১০ বছৰত সামগ্ৰিকভাৱে ২০ লাখ কোটিতকৈও অধিক মূল্যৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে।

*আৰু*

৫। ভাৰতৰ ৰক্ষিতা ৰামৰাজ আৰু অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooo

হস্ততাঁত খণ্ড কেৱল জীৱিকাৰ উৎস নহয়, বৰঞ্চ ই সৰ্বাংগীন উন্নয়নৰ আহিলা। নতুন দিল্লীত আজি অনুষ্ঠিত দ্বাদশ হস্ততাঁত দিৱসত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে হাজাৰ হাজাৰ বছৰজুৰি হস্ততাঁত ভাৰতৰ সাংস্কৃতিক আৰু সভ্যতাৰ যাত্ৰাৰ এক অবিচ্ছেদ্য অংগ হৈ আছে। এই খণ্ডই কৰ্মসংস্থাপন, মহিলা সবলীকৰণ, শিল্প-সংস্কৃতি, প্ৰকৃতিৰ প্ৰতি প্ৰেমক প্ৰসাৰিত কৰাৰ সমান্তৰালভাৱে ভাৰতৰ চৌহকী ঐতিহ্য সংৰক্ষণ কৰি আহিছে।

শ্ৰীমতী মুৰ্মুৱে এই খণ্ডই অপৰিসীম কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰে বুলি আলোকপাত কৰি কয়, যে ভাৰতত হস্ততাঁত খণ্ডত ৩৫ লাখতকৈও অধিক লোক নিয়োজিত হৈ আছে আৰু ইয়াৰে ভিতৰত ২৫লাখ মহিলা। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে হস্ততাঁত ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু আত্মনিৰ্ভৰশীলতাৰ দৃষ্টিভংগীৰ সৈতে ওতঃপোতভাৱে জড়িত আৰু ই জাতিটোৰ অসাধাৰণ বৈচিত্ৰ্যক প্ৰতিফলিত কৰে। আজি এই হস্ততাঁত দিৱসত এই খণ্ডৰ সৈতে জড়িত শিপিনী, উদ্যোগী,ছাত্ৰ-ছাত্ৰী, আৰ্হি প্ৰস্তুতকাৰী সকলোকে ৰাষ্ট্ৰপতিগৰাকীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।

**বাইট-(ৰাষ্ট্ৰপতি)**

একেটা অনুষ্ঠানতে ভাষণ দি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে কয়, যে অনাগত বছৰত হস্ততাঁত সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এই বজাৰৰ চাহিদা যাতে পোনপটীয়াকৈ শিপিনীসকলৰ

ওচৰলৈ যায় সেই সন্দৰ্ভত চৰকাৰে নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি তেওঁ নৱপ্ৰজন্মক বয়নশিল্পক পেছা হিচাপে বাচি ল'বলৈ উৎসাহিত কৰে।

এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ২০২৫ বৰ্ষৰ বাবে সন্ত কবীৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰে। ভাৰতৰ বয়নশিল্পৰ পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন কাৰুকাৰ্য, উদ্ভাৱন আৰু অৱদানৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জলৈ যাব। ভ্ৰমণৰ প্ৰথমদিনা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীবিজয়পুৰমৰ চেলুলাৰ জেলৰ ৰাষ্ট্ৰীয় স্মাৰক পৰিদৰ্শন কৰিব। এই স্মাৰক পৰিদৰ্শন কৰি তেওঁ শ্বহীদ স্তম্ভ, স্বতন্ত্ৰজ্যোতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বীৰ সাবৰকাৰৰ কোষ পৰিদৰ্শন কৰিব। ভাৰতৰ স্বাধীনতা আন্দোলনৰ কাহিনী আৰু সাহসী স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগক লৈ আয়োজন কৰা শব্দ আৰু পোহৰৰ অনুষ্ঠানতো শ্ৰীৰাধাকৃষ্ণণে অংশগ্ৰহণ কৰিব। এই ভ্ৰমণ কাৰ্যসূচীৰ দ্বিতীয় দিনা শ্ৰীবিজয়পুৰমৰ ফ্লেগ পইণ্টত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ঘৰে ঘৰে পতাকা অভিযানত ভাগ ল'ব। পৰৱৰ্তী সময়ত ডঃ বি আৰ আম্বেদকাৰ ইনষ্টিটিউট অৱ টেকন'লজী প্ৰেক্ষাগৃহত হ'বলগীয়া ৰাজ্যিক অনুষ্ঠান বন্দে মাতৰমত অংশগ্ৰহণ কৰিব। একেদিনাই বিয়লি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ঐতিহাসিক নেতাজী সুভাষ চন্দ্ৰ বসু দ্বীপ পৰিদৰ্শন কৰিব।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে কৈছে, যে হিংসা, শত্ৰুতা আৰু সন্ত্ৰাসবাদ মুক্ত পৰিৱেশ গঢ়ি উঠাৰ পাছতহে ভাৰতে  পাকিস্তানৰ সৈতে সম্পৰ্ক আগবঢ়াব। লোকসভাত আজি এটা লিখিত প্ৰশ্নোত্তৰত শ্ৰীজয়শংকৰে কয়, যে পাকিস্তানে সীমান্ত সিপাৰৰ সন্ত্ৰাসবাদৰ নীতি আৰু সন্ত্ৰাসবাদক ভাৰতৰ বিৰুদ্ধে দেশখনৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰি আছে। শ্ৰীজয়শংকৰে কয়, যে পুলৱামা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতে পাকিস্তানৰ প্ৰতি কোনো সহমৰ্মিতা প্ৰকাশ কৰা নাই আৰু পাকিস্তানৰ পৰা আমদানি আৰু ৰপ্তানিকৃত সকলো সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্কৰ হাৰ ২০০ শতাংশলৈ বৃদ্ধি কৰিছে। পুলৱামা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতে সিন্ধু জলচুক্তি স্থগিত কৰা, আট্টাৰী পহৰা চকী বন্ধ কৰা, ভিজাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰা আদি বিভিন্ন কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত থকা সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ভাৰতীয় সেনাই ধ্বংস কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু পাকিস্তানে বৰ্তমান  দেশ দুখনৰ ৰাজধানীত নিজৰ কূটনৈতিক অভিযান অব্যাহত ৰাখিছে। দেশ দুখনৰ মাজত সামৰিক অভিযানৰ সঞ্চালকপ্ৰধান পৰ্যায়ৰ আলোচনা, বেলেষ্টিক ক্ষেপণাস্ত্ৰৰ উৰণ পৰীক্ষণৰ পূৰ্বে আগতীয়া তথ্য প্ৰদান, পৰমাণু ক্ষেপণাস্ত্ৰৰ তালিকাৰ আদান-প্ৰদান আৰু দেশ দুখনৰ কাৰাগাৰত থকা কয়দীসকলৰ তালিকাৰ আদান-প্ৰদানকে ধৰি বিভিন্ন কাম-কাজ অব্যাহত আছে।

০০০০০০০

চুবুৰীয়া ৰাজ্যসমূহকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত নদ-নদীৰ জলস্তৰ বৃদ্ধি পোৱাত ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি ১৫ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। সাম্প্ৰতিক বানত ৪৮১ খন গাঁৱৰ ১ লাখ ৬৮ হাজাৰৰো অধিক লোক প্ৰভাৱিত হোৱাৰ

উপৰি ১৪ হাজাৰ ৩৮২ হেক্টৰৰো অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। চলিত বৰ্ষৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৭ লৈ বৃদ্ধি পাইছে। বানপীড়িত লোকসকলৰ সাহায্য আৰু পুনৰ সংস্থাপন অভিযান অব্যাহত আছে। চৰকাৰী তথ্য মতে ৰাজ্যত ৫০ টা সাহায্য শিবিৰ আৰু ৮৩ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰ সক্ৰিয় হৈ আছে আৰু বৰ্তমানেও এই শিবিৰসমূহত ১০ সহস্ৰাধিক লোকে আশ্ৰয় লৈ আছে।

ইপিনে, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কৰিমগঞ্জ, শ্ৰীভূমি আৰু গোলাঘাট জিলাৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। জিলাকেইখনৰ অঞ্চলবিশেষে স্থানীয় ৰাইজক নৈৰ কাষলৈ নাযাবলৈ আৰু বিপদসংকুল অঞ্চলত প্ৰৱেশ নকৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা সতৰ্ক কৰা হৈছে। শেহতীয়াকৈ কমনৱেলথ গেমছত ৰূপৰ পদক জয় কৰা লাভলীনা বৰগোহাঁয়ে আজি শিৱসাগৰ জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি সাহায্য সামগ্ৰী বিতৰণ কৰে।

0000000

ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজহুৱা ক্ৰয় মঞ্চ চৰকাৰী ই-বজাৰ ব্যৱস্থা চমুকৈ জেমে যোৱা ১০ বছৰত সামগ্ৰিকভাৱে ২০ লাখ কোটিতকৈও অধিক মূল্যৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য ২০১৬ চনৰ ৯ আগষ্টত প্ৰযুক্তি, স্বচ্ছতা, পাৰদৰ্শিতা আৰু সুপ্ৰশাসনৰ জৰিয়তে ৰাজহুৱা ক্ৰয় ব্যৱস্থাৰ ৰূপান্তৰৰ উদ্দেশ্যে এই মঞ্চ মুকলি কৰা হৈছিল। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত জেমৰ মুখ্য কাৰ্যবাহী বিষয়া মিহিৰ কুমাৰে কয়, যে ২০১৬-১৭ চনত জেমৰ চাৰিশ ২২ কোটি টকাৰ ব্যৱসায় বৰ্তমান ২০ লাখ কোটিতকৈও অধিক হৈছেগৈ। তেওঁ কয়, যে যোৱা দশকত এই মঞ্চ দেশৰ ডিজিটেল প্ৰশাসন ব্যৱস্থাৰ এটা শক্তিশালী খুঁটি হিচাপে পৰিগণিত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আই আই টি দিল্লীৰ ৫৭ সংখ্যক সমাৰৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই সমাৰোহত ৫৮৭ গৰাকী শিক্ষাৰ্থীক পি এইছ ডি ডিগ্ৰী প্ৰদান কৰাকে ধৰি ৩ হাজাৰৰো অধিক শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হ'ব। শ্ৰীমোদীয়ে শিক্ষা প্ৰতিষ্ঠানখনৰ ৰাষ্ট্ৰপতিৰ স্বৰ্ণপদক, সঞ্চালকৰ স্বৰ্ণপদক, শংকৰ দয়াল শৰ্মা স্বৰ্ণপদক আৰু পাৰফেক্ট টেন স্বৰ্ণপদককে ধৰি বিভিন্ন সন্মান মেধাৱী শিক্ষাৰ্থীসকলক প্ৰদান কৰিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে আই আই টি দিল্লীৰ ছনিপট চৌহদত স্থাপন কৰা কৃত্ৰিম বুদ্ধিমত্তা ক্ষমতাসম্পন্ন ছুপাৰ কম্পিউটিং ব্যৱস্থা **পৰম প্ৰাজ্ঞ** উদ্বোধন কৰিব।

0000000

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে বিৰোধী সদস্যৰ বাধাৰ মাজতো সংসদৰ দুয়োখন সদন কাৰ্যক্ষম হৈ আছে। সংসদৰ চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীৰিজিজুৱে কয়, যে লোকসভাই আজি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিকাশ সংশোধনী বিধেয়ক ২০২৬ গৃহীত কৰিছে। কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে দুয়োখন সদনত আলোচনা সীমিত হৈ পৰিছে।

0000000

ভাৰতৰ ৰক্ষিতা ৰামৰাজ আৰু অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ৰক্ষিতাই আজি আছানত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত নিজ দেশৰে তনভী শৰ্মাক ২১-১৮, ১৯-২১, ১৯-২১ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে।

ৰক্ষিতা ছেমি ফাইনেলত অস্মিতা চলিহাৰ সন্মুখীন হ'ব। ইয়াৰপূৰ্বে অস্মিতাই শীৰ্ষ বাছনিপ্ৰাপ্ত জাপানৰ হীনা অকেছিক ২০-২২, ২১-১৫, ২১ ১৯ গেমত পৰাস্ত কৰে।

ইপিনে. পুৰুষৰ ডাবলছ্‌ৰক কোৱাৰ্টাৰ ফাইনেলত পৃথ্বি কৃষ্ণমূৰ্তি ৰায় আৰু কৃষ্ণা প্ৰসাদ গৰাগাৰ যুঁটীটো মালয়েছিয়াৰ মান ৰেই চোং আৰু ছোহ উই য়িকৰ সন্মুখীন হ'ব।

০০০০০০০

**সমাপ্ত**